ISSN:3049-0812

**MAJULI: *A Multi-Lingual Multi-Disciplinary e-Magazine***

Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in

Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

# আধুনিক যুগৰ বড়ো কবিতাঃ প্ৰকৃতি আৰু পটভূমি

**Dr. Bimal Basumatary**

Designation : Assistant Professor, Department of Assamese, Bihpuria College, Lakhimpur, Assam, India, e-Mail ID: bimalbasumatary.lkh@gmail.com

Majuli A MultiLingual MultiDisciplinary e-Magazine

**Abstract:**

*Modern Bodo poetry represents a significant evolution in the literary tradition of the Bodo community, one of Northeast India's indigenous groups. Rooted in rich oral traditions of folk songs, ritual chants, and nature-centric verses, contemporary Bodo poetry has transitioned into a dynamic medium of cultural expression and socio-political commentary. This paper examines the historical trajectory and defining characteristics of modern Bodo poetry, analyzing how it negotiates between tradition and modernity.*

*Historically, Bodo poetry was deeply connected to agrarian life, animistic beliefs, and community rituals. The colonial encounter and subsequent Christian missionary activities in the 19th century introduced written forms of the Bodo language, laying the foundation for literary development. The 20th century witnessed a renaissance with the establishment of the Bodo Sahitya Sabha (1952), which standardized the language and promoted literary production. The late 20th century saw poetry become intertwined with the Bodo identity movement, as poets articulated demands for autonomy and linguistic recognition.*

*Thematically, modern Bodo poetry reflects a shift from folklore to contemporary concerns, including ethnic identity, ecological degradation, urbanization, and gender dynamics. Stylistically, it has moved beyond traditional metrics to embrace free verse, experimental forms, and multilingual influences, incorporating Assamese, Hindi, and English elements. Feminist voices have also emerged, challenging patriarchal norms and exploring women's agency.*

*Despite its vibrancy, modern Bodo poetry faces challenges, including limited institutional support and a lack of translations. However, its adaptability ensures its continued relevance, offering a unique lens into the Bodo community's cultural resilience and evolving identity. This study highlights the need for greater academic engagement with Bodo literature to amplify its presence in India's multilingual literary landscape.*

**Keywords**: Bodo poetry, Northeast Indian literature, ethnic identity, linguistic revival, modernism

০.০ **অৱতৰণিকাঃ**

০.১ **বিষয়ৰ পৰিচয়ঃ**

স্বৰাজোত্তৰ কালৰ পৰা বড়ো সাহিত্যত আধুনিক যুগৰ সূচনা হয় । ১৯৫২ চনৰ ১৬ নৱেম্বৰত জন্ম লাভ কৰা ‘বড়ো থুনলাই আফাদ’ (বড়ো সাহিত্য সভা)ই বড়ো সমাজৰ ভাষা-সাহিত্য-সংস্কৃতিৰ উন্নতিৰ বাবে গ্ৰহণ কৰা সুদূৰ প্ৰসাৰী লক্ষ্য আৰু উদ্দেশ্যই বড়ো সাহিত্যৰ পূৰ্বৰ গতিবিধিৰ পৰিৱৰ্তন সাধন কৰে। সৰ্বতো প্ৰকাৰে বড়ো জাতিৰ উন্নতিৰ হকে গঢ় লোৱা এই মঞ্চই বড়ো সাহিত্যক নতুন দিক্দৰ্শন কৰে। তদুপৰি ভাৰতবৰ্ষৰ উত্তৰ-স্বাধীনতা কালৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ ফলত সাহিত্যিকসকলৰ চিন্তা-চেতনা আৰু দৃষ্টিভংগীৰ সলনি হয়। ফলস্বৰূপে আধুনিক মনন আৰু চিন্তাৰ পৰশত নতুন পৰিকল্পনাৰে তদানীন্তন সময়ৰ বড়ো সাহিত্যিকসকল জাগ্ৰত হয়। সেয়ে ভাৰতবৰ্ষৰ স্বাধীনতাৰ পৰৱৰ্তী কালৰেপৰা বড়ো সাহিত্যত আধুনিক ভাৱধাৰাৰ আগমন ঘটে বুলি ক’ব পাৰি। বিংশ শতিকাৰ ত্ৰিশৰ দশকৰপৰা আলোচনীক কেন্দ্ৰ কৰি সাহিত্য ৰচনা কৰা লেখকসকলেও লাহে লাহে ৰোমাণ্টিক ভাৱধাৰাক পৰিত্যাগ কৰি আধুনিক ভাৱধাৰাৰ প্ৰতি আগ্ৰহী হৈ পৰে তথা লেখাৰ লক্ষ্য, আৰ্হি, আদৰ্শ সলনি হ’বলৈ ধৰে। কবিসকলে পাৰ্যমানে পৰম্পৰাবাদী ছন্দসজ্জা এৰি সেই সময়ৰ আধুনিক অসমীয়া বা বাংলা কবিতাৰ ছন্দসজ্জাৰ প্ৰেৰণাত নতুন কবিতা লিখিবলৈ ধৰিলে। কালক্ৰমত নতুন দৃষ্টিভংগী আৰু নতুন আংগিকেৰে বড়ো কবিতাই পূৰ্বৰ ৰোমাণ্টিকতাক পৰিহাৰ কৰি আধুনিক ৰূপ গ্ৰহণ কৰে। অৱশ্যে এই নতুন ধ্যান-ধাৰণাৰ সমান্তৰালভাৱে এচাম কবিয়ে প্ৰায় আশীৰ দশকলৈকে পূৰ্বৰ ৰোমাণ্টিক চেতনাৰেই কবিতা ৰচনা কৰি গৈছিল। সেয়ে আধুনিক যুগৰ বড়ো কবিতাৰ স্বৰূপ বা প্ৰকৃতিত ৰোমাণ্টিক চেতনা আৰু আধুনিক চেতনা- এই দুয়োটা ধাৰাৰ কবিতা দেখিবলৈ পোৱা যায়।

বড়ো সাহিত্যৰ ক্ৰমবিকাশৰ ইতিহাসত আধুনিক যুগৰ বড়ো কবিতাই এক বিশেষ স্থান অধিকাৰ কৰি আছে। বিংশ শতিকাৰ ত্ৰিশৰ দশকত ৰোমাণ্টিক ভাৱধাৰাৰে প্ৰকাশ লাভ কৰা বড়ো কবিতাই ষাঠিৰ দশকত নতুন ভাৱধাৰা আৰু নতুন দৃষ্টিভংগীৰে বিকশিত আধুনিক কবিতা হিচাপে সমৃদ্ধ হোৱাৰ অন্তৰালত বিভিন্ন সাহিত্যিক চেতনা, সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক পৰিঘটনা আদিৰ প্ৰভাৱ জড়িত হৈ আছে। এনেধৰণৰ পৰিঘটনাৰ লগতে দেশী আৰু বিদেশী সাহিত্যৰ আধুনিক কবিতাৰ সংস্পৰ্শ বা প্ৰভাৱে আধুনিক যুগৰ বড়ো কবিতাৰ পটভূমি গঢ় লোৱাত ইন্ধন যোগাই আহিছে।

কাল অনুসৰি গঢ় লোৱা সামাজিক-বৌদ্ধিক পটভূমিয়ে সাহিত্যৰ গতি-প্ৰকৃতিত প্ৰভাৱ পেলায়। সেয়ে আধুনিক যুগৰ বড়ো কবিতাৰ আলোচনাৰ প্ৰসংগত এনেবোৰ দিশৰ আলোচনাৰ প্ৰাসংগিতা অস্বীকাৰ কৰিব নোৱাৰি। বৰ্তমানলৈকে প্ৰকাশ পোৱা বড়ো সাহিত্যৰ বুৰঞ্জী, কবিতাৰ সমালোচনাত্মক গ্ৰন্থ, প্ৰবন্ধ আদিত আধুনিক যুগৰ বড়ো কবিতাৰ বিষয়ে আলোচনা হৈছে যদিও উল্লিখিত দিশসমূহ সামৰি পদ্ধতিগতভাৱে আলোচনা কৰা দৃষ্টিগোচৰ হোৱা নাই। গতিকে এই আলোচনাত আধুনিক যুগৰ বড়ো কবিতাঃ পটভূমি আৰু প্ৰকৃতি বিষয়টিৰ আলোকপাত কৰবিলৈ বিচৰা হৈছে।

০.২ **পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাঃ**

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

আধুনিক যুগৰ বড়ো কবিতাৰ ক্ৰমবিকাশৰ বিষয়ে বৰ্তমানলৈকে প্ৰকাশ লাভ কৰা বড়ো সাহিত্যৰ বুৰঞ্জীসমূহত ঐতিহাসিক আৰু সমীক্ষাত্মক পদ্ধতিৰে অধ্যয়ন কৰা হৈছে যদিও আধুনিক যুগৰ বড়ো কবিতাৰ পটভূমি আৰু প্ৰকৃতিৰ সন্দৰ্ভত স্পষ্টৰূপত আলোচনা হোৱা নাই। বৰ্তমানলৈকে প্ৰকাশ লাভ কৰা বড়ো সাহিত্যৰ বুৰঞ্জীকেইখন হ'ল- মধুৰাম বড়োৰ জাৰিমিনি নৌজাৱাও বৰ' থুনলাই (১৯৮৮), মন'ৰঞ্জন লাহাৰীৰ বৰ' থুনলাইনি জাৰিমিন (১৯৯১) আৰু অনিল কুমাৰ বড়োৰ A History of Bodo Literature (২০১০)। উল্লিখিত বুৰঞ্জীকেইখনে আধুনিক যুগৰ বড়ো কবিতাৰ ক্ৰমবিকাশৰ এক সমীক্ষা দাঙি ধৰিছে আৰু আধুনিক যুগৰ বড়ো কবিতাৰ লক্ষণ, বৈশিষ্ট্যৰ সন্দৰ্ভত কিছুমান দিশ আলোকপাত কৰিছে।

অনিলকুমাৰ ব্ৰহ্মাই সম্পাদনা কৰা বৰ' থুলনাই বিজিৰনায় (২০১১) গ্ৰন্থখনৰ তৃতীয় অধ্যায়ত বড়ো কবিতাৰ আলোচনাৰ শিতানত অনিল কুমাৰ বড়ো, ধৰণীধৰ ওৱাৰী আৰু গ্ৰন্থখনৰ সম্পাদকে আধুনিক বড়ো কবিতাৰ বিষয়ে আলোচনা কৰিছে। অনিল কুমাৰ ব্ৰহ্মই 'গৌদান থুনলাইঃ গৌদান খন্থাই' (নতুন সাহিত্যঃ নতুন কবিতা) নামৰ প্ৰবন্ধটিৰ জৰিয়তে বড়ো সাহিত্যলৈ নতুন চেতনাৰ আগমনৰ ফলত কি দৰে পূৰ্বৰ কবিতাৰ ৰেহৰূপ সলনি হৈ নতুন কবিতাৰ এটা ধাৰা প্ৰবাহিত হ'ল সেয়া আলোচনা কৰিছে। সেইদৰে ধৰণীধৰ ওৱাৰীয়ে 'আথিখাল বৰ' খন্থাইনি বিথুন' (আধুনিক বড়ো কবিতাৰ প্ৰকৃতি) প্ৰবন্ধটিৰ মাজেৰে আধুনিক বড়ো কবিতাৰ এক সমীক্ষা দাঙি ধৰিছে।

বড়ো সাহিত্য সভাৰ পাব্লিকেছন ব'ৰ্ডে সম্পাদনা কৰা গ্ৰন্থ ৰায়থাই বিহুং- নৈথি খৌণ্ডৌ (২০০৭)ত আধুনিক বড়ো কবিতাৰ বিষয়ে বিজয় বাগলাৰী আৰু উথ্ৰিছাৰ খুংগুৰ বসুমতাৰীয়ে আলোচনা আগবঢ়াইছে। তেখেতসকলে 'গৌদান বৰ' খন্থাই' (নতুন বড়ো কবিতা) আৰু 'গৌদান বৰ' খন্থাইনি দাহাৰ' (নতুন বড়ো কবিতাৰ ধাৰা) শীৰ্ষক প্ৰবন্ধ দুটাৰ মাজেৰে ক্ৰমে আধুনিক বড়ো কবিতাৰ ক্ৰমবিকাশৰ এক সমীক্ষা দাঙি ধৰিছে।

এনেধৰণৰ আলোচনাসমূহৰ মাজেৰে আধুনিক যুগৰ বড়ো কবিতাৰ বিষয়ে আলোকপাত কৰা হৈছে যদিও বড়ো কবিতাৰ ক্ৰমবিকাশৰ লগত জড়িত হৈ থকা পৰিৱৰ্তিত ভাৱধাৰাৰ আৰম্ভণি আৰু অৱসানৰ নিৰ্দেশনা আদি দিশসমূহ স্পষ্টৰূপত দাঙি ধৰিবলৈ সক্ষম হোৱা নাই। আধুনিক যুগৰ বড়ো কবিতাৰ ক্ৰমবিকাশৰ লগত সংপৃক্ত হৈ থকা যুগ চেতনাসমূহ আৰু ইয়াৰ সমৃদ্ধিত জড়িত হৈ থকা অসমীয়া, বাংলা আৰু পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ আদি দিশসমূহ পদ্ধতিগতভাৱে বিচাৰ বিশ্লেষণ কৰিলেহে সামগ্ৰিকভাৱে আধুনিক যুগৰ বড়ো কবিতাৰ স্বৰূপ স্পষ্ট হ'ব।

০.৩ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্যঃ

- আধুনিক যুগৰ বড়ো কবিতাৰ পটভূমি বিচাৰ কৰা।
- আধুনিক যুগৰ বড়ো কবিতাৰ প্ৰকৃতি নিৰ্ণয় কৰি কালক্ৰমত হোৱা পৰিৱৰ্তনসমূহ আলোচনা কৰা।
- আধুনিক কবিতাৰ লক্ষ্যণ-বৈশিষ্ট্যৰ আধাৰত আধুনিক বড়ো কবিতাৰ আৰম্ভণিৰ সময়ৰ পৰা বৰ্তমানলৈকে হোৱ ক্ৰমবিকাশৰ এক সমীক্ষা আগবঢ়োৱা।
- আধুনিক যুগৰ বড়ো কবিতাৰ সামগ্ৰিক স্বৰূপ নিৰ্ণয় কৰা।

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

০.৪ **অধ্যয়নৰ পদ্ধতিঃ**

আধুনিক যুগৰ বড়ো কবিতাঃ পটভূমি আৰু প্ৰকৃতি শীৰ্ষক বিষয়টিৰ আলোচনাৰ বাবে মূলতঃ ঐতিহাসিক আৰু সমীক্ষাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে। আধুনিক যুগৰ বড়ো কবিতাৰ পৃষ্ঠভূমি নিৰ্মাণত বিশেষভাৱে প্ৰভাৱ পেলোৱা সামাজিক-বৌদ্ধিক পটভূমিৰ বিচাৰ কৰিবলৈ যাওঁতে ঐতিহাসিক আৰু সমীক্ষাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে। আধুনিক বড়ো কবিতাৰ উত্তৰণত অসমীয়া, বাংলা আৰু পাশ্চাত্য সাহিত্যৰ সংস্পৰ্শ তথা প্ৰভাৱৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে তুলনামূলক পদ্ধতিৰ সহায় লোৰ হৈছে।

০.৫ **অধ্যয়নৰ পৰিসৰঃ**

**আধুনিক যুগৰ বড়ো কবিতাঃ প্ৰকৃতি আৰু পটভূমি** শীৰ্ষক বিষয়টিৰ নিৰ্দ্ধাৰিত লক্ষ্য-উদ্দেশ্যসমূহ পোহৰলৈ আনিবৰ বাবে আধুনিক যুগৰ বড়ো কবিতাই ১৯৫২ চনৰ পৰৱৰ্তী কালত নতুন ভাৱধাৰাৰে বিকশিত হোৱা সময়ৰপৰা একবিংশ শতিকাৰ প্ৰথম দশকলৈকে ধৰা দিয়া গতি-বিধিসমূহ সামৰি লোৱা হ'ব। আলোচনা পত্ৰৰ পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি বড়ো কবিতাৰ প্ৰকৃতি আৰু স্বৰূপ নিৰ্ণয়ৰ প্ৰসংগত আধুনিক যুগৰ আটাইকেইজন বড়ো কবিৰ কবিতাৰ বিষয়ে আলোচনা নকৰি কেৱল কেইজনমান কবিৰ কবিতাৰ আৰ্হিৰে এই আলোচনা আগবঢ়োৱা হ'ব।

১.০ **আধুনিক যুগৰ বড়ো কবিতাৰ পটভূমিঃ**

বড়ো সাহিত্যৰ প্ৰতিষ্ঠা কালৰ লেখকসকলে বিংশ শতিকাৰ চতুৰ্থ দশকলৈকে সাহিত্যিক প্ৰচেষ্টা পূৰ্ণোদ্যমে চলায়। সেয়ে বিবাৰ (১৯২৪), অলংবাৰ (১৯৩৮) আদি আলোচনীৰ যোগেদি নতুনকৈ জন্ম লাভ কৰা বড়ো সাহিত্যই প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। বিবাৰ, অলংবাৰ আলোচনীৰ যোগেদি বড়ো সাহিত্যত ৰোমাণ্টিক কবিতাৰ পৰ্দাপন ঘটে। সেয়ে বড়ো সাহিত্যত প্ৰতিষ্ঠাৰ কাল (১৯২০-১৯৫১)ত আধুনিকতাৰ বীজ অংকুৰিত হয় বুলি ক'ব পাৰি। এইছোৱা সময়ৰ প্ৰায়খিনি কবিতাই ধৰ্মীয় আদৰ্শ, ভক্তিমূলক আছিল যদিও সেই চেতনাই মানৱীয় অনুভূতিত অলৌকিকৰ পৰা লৌকিকলৈ পৰিৱৰ্তিত হ'বলৈ ধৰে। কিন্তু চতুৰ্থ দশকত ভাৰতৰ ৰাজনৈতিক পৰিস্থিতি, অৰ্থনৈতিক সংকট আদিয়ে বড়ো সাহিত্যৰ বিকাশত স্থবিৰতা আনি দিছিল। নতুনকৈ ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাৰ মাজেৰে জাতীয় চেতনাৰ আলোড়ন আনিবলৈ প্ৰচেষ্টা চলোৱা বড়োসকলৰ বাবে ই এক ডাঙৰ প্ৰত্যাহ্বান আছিল। এনে পৰিস্থিতিৰ মাজেৰেই বড়ো লেখকসকলে সাহিত্য ৰচনাৰ এটা ক্ষীণ সুঁতি বোৱাই ৰাখিছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত হোৱা সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক পৰিৱৰ্তন আৰু বিজ্ঞান প্ৰযুক্তিৰ দ্ৰুত সম্প্ৰসাৰণে মানুহৰ দৃষ্টিভংগীৰ সলনি কৰিবলৈ ধৰিলে। সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰত দেখা দিয়া সমস্যা আৰু পৰিৱৰ্তনৰ ধাৰাই সাহিত্যিকসকলক প্ৰভাৱিত কৰিবলৈ ধৰে। ফলত সাহিত্যিকৰ দৃষ্টিভংগী আৰু সাহিত্যৰ বিষয়, ৰূপ আৰু আংগিকৰ ভালেখিনি পৰিৱৰ্তন সাধন হয়। বড়ো লেখকসকলেও এনে পৰিৱেশৰ মাজত থাকি নতুন দৃষ্টিভংগীৰে জাতীয়তাৰ ভেঁটি প্ৰতিষ্ঠা কৰিব বাবে আগবাঢ়ি আছে। জীৱনৰ মূল্যবোধ আৰু ব্যক্তিৰ মৰ্যাদাই লেখকসকলৰ মনলৈ এক নতুন জাতীয়

আত্ম-প্ৰতিষ্ঠাৰ প্ৰেৰণা আনি দিছিল। এনেধৰণৰ প্ৰেৰণাৰেই সেই সময়ৰ লেখকসকলে গোটেই বড়ো সমাজখনক আধুনিকতাৰ ভেঁটিত গঢ়ি তুলিবলৈ বিচাৰিছিল।

বিংশ শতিকাৰ মাজভাগলৈকে বড়োসকলৰ মাজত স্বকীয় ভাষাৰ মাধ্যমত কোনো আনুষ্ঠানিক শিক্ষাৰ ব্যৱস্থা নথকাৰ বাবে শক্তিশালী ৰূপত বড়ো সাহিত্যৰ এক জাগৰণ অনাটো অতি দুৰূহ কাম আছিল। তদানীন্তন সময়ত অসমীয়া, ইংৰাজী আৰু বাংলা মাধ্যমেৰে শিক্ষা গ্ৰহণ কৰা বড়োসকলৰ শিক্ষিতৰ হাৰ আছিল তেনেই সীমিত। অন্য ভাষাৰ মাধ্যমেৰে শিক্ষা গ্ৰহণ কৰি স্বকীয় ভাষা-সাহিত্যৰ স্বীকৃতিৰ বাবে কাম কৰা আৰু প্ৰতিষ্ঠা কৰাটো সহজ নাছিল। এনে প্ৰত্যাহ্বানমূলক পৰিস্থিতিৰ মাজতে বড়োসকলে নিজৰ ভাষা-সাহিত্য-সংস্কৃতিৰ সমৃদ্ধিৰে স্বজাতিৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে অগ্ৰসৰ হৈ ১৯৫২ চনৰ ১৬ নৱেম্বৰত ‘বড়ো থুনলাই আফাদ’ (বড়ো সাহিত্য সভা)ৰ জন্ম দিয়ে। এই সভাৰ উদ্যোগতে ১৯৬৩ চনত বড়ো ভাষাক শিক্ষাৰ মাধ্যম ৰূপে পঢ়াশালিত প্ৰয়োগ কৰা হয়। কালক্ৰমত বড়ো সাহিত্য সভাৰ উদ্যোগত ১৯৭৬ চনত দেৱনাগৰী লিপিক বড়ো ভাষাৰ লিপি হিচাপে গ্ৰহণ কৰা হয়। পৰৱৰ্তী সময়ত বড়ো সাহিত্য সভা, বি. এল. টি., কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ আলোচনাৰ জৰিয়তে ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত বড়ো ভাষাই ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্তি আৰু ভাৰতীয় ভাষাৰ মৰ্যাদা লাভ কৰে।[১] ইয়াৰ উপৰিও অসমৰ বড়ো জনজাতীয় লোকসকলে ভাৰতবৰ্ষৰ স্বাধীনতাৰ পূৰ্বৰে পৰা সুকীয়া ৰাজনৈতিক অধিকাৰ বিচাৰি চলাই অহা আন্দোলনেও আধুনিক যুগৰ বড়ো সাহিত্যত প্ৰভাৱ পেলাবলৈ ধৰে। বিশেষকৈ সত্তৰ-আশীৰ দশকত অসমৰ বড়ো জনজাতীয় লোকসকলে গণতান্ত্ৰিক আৰু অহিংস আন্দোলনৰ মাজেৰি বিচাৰি অহা ৰাজনৈতিক অধকিাৰসমূহৰ প্ৰতি শাসকীয় পক্ষই যথোচিত সঁহাৰি নিদিয়াৰ বাবে একাংশ বড়ো জনজাতীয় নেতাই সহস্ত্ৰ সংগ্ৰামৰ মাজেৰে জাতীয় অধিকাৰ সাব্যস্ত কৰিবলৈ অগ্ৰসৰ হয়। ফলত বড়োসকলৰ স্বাধীকাৰ আন্দোলনৰ ৰাজনৈতিক প্ৰেক্ষাপট সলনি হ’বলৈ ধৰে। এহাতে গণতান্ত্ৰিক আন্দোলনৰ প্ৰতি একাংশৰ আস্থা আৰু আনহাতে সহস্ত্ৰ সংগ্ৰামৰ জৰিয়তে অধিকাৰ সাব্যস্ত কৰিবলৈ অগ্ৰসৰ হোৱা, এই দুই ধৰণৰ ৰাজনৈতিক পৰিস্থিতিয়ে বড়ো সমাজৰ পৰিৱৰ্তনত বিশেষভাৱে প্ৰভাৱ পেলায়। পৰিৱৰ্তিত সমাজ ব্যৱস্থাৰ এনে চাপ সত্তৰ-আশীৰ দশকৰ পৰৱৰ্তী কালৰ বড়ো সাহিত্যত প্ৰতিফলিত হোৱা দেখা যায়। গতিকে আধুনিক যুগৰ বড়ো কবিতাই সত্তৰ-আশীৰ দশকৰ পৰৱৰ্তী সময়ত পৰিৱৰ্তিত সমাজ ব্যৱস্থাৰ বিভিন্ন দিশ কবিতাৰ মাজেৰে প্ৰকাশ কৰিবলৈ ধৰে। এইছোৱা সময়ৰ পৰাই আধুনিক যুগৰ বড়ো কবিতাই বাস্তৱতাৰ দৃষ্টিভংগীৰে অগ্ৰসৰ হ’বলৈ লয়।

আধুনিক যুগৰ বড়ো কবিতাত আধুনিক ভাৱধাৰাৰ বিকাশৰ ক্ষেত্ৰত অসমীয়া সাহিত্য, প্ৰবাসী বাংলা আৰু পাশ্চাত্য (ইংৰাজী) সাহিত্যৰ সংস্পৰ্শই বিশেষভাৱে প্ৰভাৱ পেলাই আহিছে। আধুনিক যুগৰ বড়ো কবিতা ৰোমাণ্টিক চেতনা আৰু আধুনিক চেতনাৰে সমৃদ্ধ। আধুনিক যুগৰ বড়ো কবিতাত এই দুইধৰণৰ চেতনা প্ৰকাশ পোৱাৰ কাৰণ হ’ল, সেই সময়ৰ শিক্ষিত লোকসকলে এফালে ৱৰ্ডছৱৰ্থ, শ্যেলী, কীট্চ, টেনিচন আদি ইংৰাজ কবিসকলৰ ৰচনা আৰু আনফালে এলিয়ট, হিউম, বোদডলেয়াৰ আদিৰ ৰচনাৰ সৈতে পৰিচিত হৈছিল। তাৰে প্ৰভাৱত এচাম বড়ো কবিয়ে মানৱমুখী, ব্যক্তিমুখী ৰোমাণ্টিক মানসিকতাৰে কবিতা ৰচনা কৰিছিল আৰু এচামে ৰোমাণ্টিক মানসিকতাৰপৰা আঁতৰি আহি ইউৰোপীয় প্ৰতীকী বা চিত্ৰকল্পবাদী কবিতাৰ আৰ্হিত নতুন কবিতাৰ পাতনি মেলে। এনেদৰেই সেই সময়ৰ আলোচনী ‘অখাফীৰ’ (১৯৫২) আৰু

বড়ো সাহিত্য সভাৰ মুখপত্ৰ ‘বডো’ক কেন্দ্ৰ কৰি বড়ো কবিসকলে সমাজ সচেতনতা জাগ্ৰত কৰাৰ তাগিদাৰে কবিতা লিখিবলৈ আৰম্ভ কৰে।

একে ভৌগোলিক পৰিসীমা, সামাজিক পৰিৱেশৰ আদিৰ মাজত বৃহত্তৰ অসমীয়া জতিৰ অংশ  বড়োসকলক অসমীয়া সাহিত্যই যে প্ৰভাৱ পেলোৱা নাছিল এনে নহয়। প্ৰবাসী বাংলা সাহিত্য আৰু পাশ্চাত্য সাহিত্যৰ সংস্পৰ্শৰে সমৃদ্ধ হোৱা অসমীয়া সাহিত্যৰ লগত বড়ো লেখকসকলৰ সম্বন্ধ অতি ওচৰ চপা। বড়োসকলে প্ৰথমাৱস্থাত অসমীয়া মাধ্যমেৰে শিক্ষা গ্ৰহণ আৰু অসমীয়া লিপিৰেই নিজৰ ভাষা-সাহিত্যক চহকী কৰিবলৈ লোৱা প্ৰয়াসেই সেই কথা প্ৰতিপন্ন কৰে। গতিকে অসমীয়া ৰোমাণ্টিক কবিসকলৰ কবিতা আৰু আধুনিক কবিসকলৰ কবিতাইয়ো আধুনিক বড়ো কবিতাৰ ক্ৰমবিকাশত প্ৰভাৱ পেলায়। বড়োসকলৰ মাজত জাতীয় চেতনাৰ জাগ্ৰতৰ বাবে চিন্তা কৰা শিক্ষিত লোকসকলক অসমীয়া সাহিত্যৰ কবি চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, অম্বিকাগিৰি ৰায় চৌধুৰী, বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, পাৰ্বতিপ্ৰসাদ বৰুৱা, প্ৰসন্নলাল চৌধুৰী আদিৰ কবিতাই প্ৰভাৱ পেলাইছিল বুলি ক’ব পাৰি। তদুপৰি আধুনিক অসমীয়া কবিসকলৰ কবিতাৰ নতুন আংগিক আৰু বিষয়বস্তুৰ বাস্তৱসন্মত উপস্থাপন শৈলী আদিয়েও আধুনিক যুগৰ বড়ো কবিসকলক আকৃষ্ট কৰিছিল। সেয়ে অসমীয়া সাহিত্যৰ আধুনিক কবিতাৰ স্বৰূপৰ লগত সাঙুৰখাই থকা নতুন সাহিত্যৰ তত্ত্ব, মাক্সৰ্বাদ, ফ্ৰয়েদীয় মনস্তত্ত্ব, দ্বন্দ্বাত্মক ভৌতিকতাবাদৰ প্ৰভাৱ আদি দিশসমূহে বড়ো লেখকসকলক অনুপ্ৰাণিত কৰিছিল। সামগ্ৰিকভাৱে ক’বলৈ গ’লে অসমীয়া, বাংলা আৰু ইংৰাজী সাহিত্যৰপৰা পোৱা জ্ঞান আৰু অভিজ্ঞতাই বড়ো লেখকসকলৰ মনত আধুনিক জীৱনদৃষ্টিৰ উদয় কৰে। ফলস্বৰূপে বড়ো লেখকসকলৰ মনত আধুনিক অনুভৱ আৰু মননত আত্ম-চেতনাৰ মাত্ৰা বৃদ্ধি পয়। এনেধৰণৰ সামাজিক-বৌদ্ধিক পটভূমিত বড়ো সাহিত্যৰ আধুনিক যুগটোত বড়ো কবিতাই সমৃদ্ধি লাভ কৰে।

**২.০ আধুনিক যুগৰ বড়ো কবিতাৰ প্ৰকৃতিঃ**

বড়ো সাহিত্যৰ আধুনিক যুগ (১৯৫২) সূচনা হোৱাৰে পৰা বৰ্তমানলৈকে ৰচনা হোৱা বড়ো কবিতাসমূহ দুটা ধাৰাৰে বিকশিত হোৱা দেখা যায়। সেয়া হৈছে আধুনিক বড়ো কবিতাৰ প্ৰাৰম্ভিক স্তৰৰ ৰোমাণ্টিক ভাৱধাৰাৰ কবিতা আৰু আধুনিক বড়ো কবিতাৰ দ্বিতীয় স্তৰৰ ৰমন্যাস বিৰোধী অধুনিক ভাৱ ধাৰাৰ কবিতা। কালক্ৰমত এই দুয়োটা ধাৰাৰ বড়ো কবিতাই বিস্তৃতি লাভ কৰে যদিও আশীৰ পৰৱৰ্তী দশকত ৰোমণ্টিক ভাৱধাৰাৰ কবিতাই ৰমন্যাস বিৰোধী আধুনিক কবিতাৰ সামগ্ৰিক লক্ষণৰ দিশলৈ গতি কৰিব আৰম্ভ কৰে। সেয়ে আধুনিক যুগৰ বড়ো কবিতাৰ গতি-প্ৰকৃতিক দুটা স্তৰত বিভক্ত কৰি আলোচনা কৰিব পাৰি। আধুনিক যুগৰ বড়ো কবিতাৰ এই স্তৰ দুটাৰ বিষয়ে তলত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হ’ল–

**২.১ অধুনিক যুগৰ বড়ো কবিতাৰ প্ৰথম স্তৰঃ** (১৯৫২-১৯৭০)

বিংশ শতিকাৰ তৃতীয়-চতুৰ্থ দশকত প্ৰকাশ পোৱা আলোচনী- বিবাৰ (১৯২৪), অলংবাৰ (১৯৩৮), হাথৰ্খিহালা (১৯৪২) সমূহে বড়ো কবিতাত যি ৰোমাণ্টিকতাৰ ভাৱাধাৰ বোৱাই আনিছিল সেই ভাৱধাৰাই আধুনিক বড়ো কবিতাৰ দুৱাৰ মুকলি কৰিছিল বুলি ক’ব পাৰি। ৰোমাণ্টিক চেতনাৰে আধুনিকতাৰ যাত্ৰা আৰম্ভ কৰা বড়ো কবিতাৰ এই প্ৰবাহিত ধাৰা



Majuli A Multi-Lingual Multi-Disciplinary e-Magazine

পঞ্চাশৰ দশকত পোনচাটেই নাইকিয়া হৈ গৈছিল এনে নহয়; এই ধাৰা প্ৰায় আশীৰ দহকলৈকে প্ৰৱাহিত হৈ আছিল। ১৯৫২ চনত জন্ম লাভ কৰা 'বড়ো সাহিত্য সভা'ই নতুন উদ্যমেৰে সাহিত্য ৰচনা কৰাৰ পৰিৱেশ গঢ় দিছিল। বড়ো সাহিত্য সভাৰ মুখপত্ৰ 'বডো' প্ৰকাশ হোৱাৰ ফলত কবি তথা লেখকসকলে নিজৰ নিজৰ ৰচনা প্ৰকাশ কৰিবলৈ উপযুক্ত মাধ্যম বিচাৰি পালে। বড়ো সাহিত্য সভাৰ উদ্যোগত প্ৰতি বছৰে নিয়মীয়াকৈ প্ৰকাশ লাভ কৰা 'বডো' মুখপত্ৰখনে চল্লিছৰ দশকৰপৰা প্ৰায় স্তিমিত হ'বলৈ ধৰা সাহিত্যৰ প্ৰবাহটোক সজীৱ কৰি তোলে। এই মুখপত্ৰৰ যোগেদিয়ে নতুন চিন্তাধাৰে বড়ো কবিসকলে কবিতা লিখিবলৈ আৰম্ভ কৰে। সমালোচক ফুকন চন্দ্ৰ বসুমতাৰী মতে-

১৯৫২ চনৰ পিছৰে পৰা লেখাৰ লক্ষ্য,আৰ্হি সলনি হ'বলৈ ধৰিলে। কবিসকলে পাৰ্যমানে ছন্দবদ্ধ ছন্দসজ্জা এৰি সেই সময়ৰ আধুনিক অসমীয়া বা বংলা কবিতাৰ ছন্দসজ্জাৰ প্ৰেৰণাত আধুনিক কবিতা লিখিবলৈ ধৰিলে। বড়ো কবিতাত ছন্দসজ্জাৰ পৰম্পৰা লাহে লাহে পৰিৱৰ্তন হোৱা দেখা গ'ল। কবিসকলে মুক্তক ছন্দত কবিতা লিখিবলৈ ল'লে। সেই সময় হ'ল বড়ো আধুনিক কবিতাৰ জাগৰণৰ সময়।[২]

মন কৰিবলগীয়া যে বড়ো সাহিত্য সভাই প্ৰকাশ কৰা মুখপত্ৰ 'বডো'ৰ সমসাময়িকভাৱে ১৯৫২ চনত ৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰীৰ সম্পাদনত অখাফীৰ (১৯৫২) নামে এখন আলোচনী প্ৰকাশ হৈছিল। এই আলোচনী খনৰ প্ৰথম সংখ্যাত প্ৰকাশ পোৱা প্ৰসেনজিৎ ব্ৰহ্মৰ 'আং থৈয়া' (মই নমৰো) আৰু দ্বিতীয় সংখ্যাত প্ৰকাশ পোৱা সমৰ ব্ৰহ্মচৌধুৰীৰ 'চিজৌ গেৰেমচা' (অমৰ সিজু) নামৰ কবিতা দুটাৰ  নতুন উপস্থাপন ৰীতিয়ে পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিছিল। 'অখাফীৰ' আৰু 'বডো' (১৯৫২)ৰ  যোগেদি সূচনা হোৱা সাহিত্য ৰচনাৰ পৰিৱেশে পূৰ্বৰ বড়ো কবিতাৰ ৰহস্যবাদী চিন্তাধাৰা, স্বদেশপ্ৰেম, আধ্যাত্মিক ভাৱধাৰা আদিক একেবাৰে নসাৎ কৰি দিয়া নাছিল। বৰঞ্চ আধুনিকবাদী ধ্যান-ধাৰণা আৰু ৰোমাণ্টিক ধ্যান-ধাৰণাৰে আধুনিক যুগৰ বড়ো কবিতাক সমৃদ্ধ কৰি এক নতুন কবিতাৰ ধাৰা সূচনা কৰিছিল।

আধুনিক যুগত ৰোমাণ্টিক চেতনাৰে কবিতা লিখা নতুন কবিসকলৰ কাব্য চেতনাৰ মাজত  গতানুগতিক নিয়ম-শৃংখলাৰপৰা মুক্তিৰ প্ৰয়াস, নতুন দিনৰ সুস্থ সমাজ গঢ়াৰ সপোন, নিঃস্ব আৰু সামান্যৰ প্ৰতি আকৰ্ষণ আদি দিশ সমূহৰো প্ৰতিফলন ঘটা দেখা যায়। পঞ্চাশৰ দশকৰপৰা প্ৰায় আশীৰ দশকলৈকে এচাম বড়ো কবিয়ে এনেধৰণৰ ৰোমাণ্টিক চেতনাৰেই কাব্য ৰচনা কৰি বড়ো সাহিত্যক সমৃদ্ধ কৰি গৈছে। এইচোৱা সময়তে আন এচাম বড়ো কবিয়ে আকৌ ৰোমাণ্টিক বিৰোধী আধুনিক কবিতাৰ আদৰ্শৰে কবিতা লিখিবলৈ আৰম্ভ কৰে । য'ত সমাজ ব্যৱস্থাৰ প্ৰকৃত স্বৰূপ, বৈপ্লৱীক চিন্তা, মাৰ্ক্সীয় চিন্তাৰ বহিৰ্প্ৰকাশ হ'বলৈ ধৰে।

আধুনিক যুগৰ বড়ো কবিতাৰ প্ৰথম স্তৰত এনেধৰণৰ দুটা পৃথক পৃথক ভাৱধাৰাৰ কবিতা সমাগম দেখিবলৈ পোৱা যায় যদিও কবি আৰু কবিতাৰ ৰচনাৰ সময়সীমাৰে বড়ো কবিতাৰ ধাৰা পৃথকে পৃথকে আলোচনা কৰিবলৈ যাওঁতে অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। আধুনিক যুগৰ প্ৰথম স্তৰৰ বড়ো কবিসকলৰ ভিতৰত — প্ৰসেনজিৎ ব্ৰহ্ম (১৯২৯-১৯৯২), সমৰ ব্ৰহ্মচৌধুৰী (১৯৩২-১৯৯১), চৰণ নাৰ্জাৰী (১৯৩৩-), জগদীশ ব্ৰহ্ম (১৯৩৫-২০১১), মন'ৰঞ্জন লাহাৰী (১৯৩৯-২০০৮), শচীন্দ্ৰ বসুমতাৰী (১৯৪৫-২০০২), ধৰণীধৰ ওৱাৰী (১৯৪৮-) আদিৰ নাম উল্লেখ কৰিব পাৰি। উল্লিখিত কবিসকলে প্ৰায়

দুয়োটা ধাৰাতে কাব্য চৰ্চা কৰা দেখা যায়। সেয়ে এই কবিসকলৰ কবিতাত পূৰ্বৰ বিবাৰ, অলংবাৰৰ ৰোমাণ্টিক ধ্যান-ধাৰণাৰ কবিতা আৰু ইয়াৰ বিপৰীতে বাস্তৱবাদী সমাজচেতনা আৰু প্ৰগতিশীল আধুনিক দৃষ্টিভংগীৰ কবিতা প্ৰায় সমান্তাৰলভাৱে সমৃদ্ধ হৈ অহা দেখিবলৈ পোৱা যায়। গতিকে অনিল কুমাৰ বড়োৱে আধুনিক যুগৰ প্ৰথম স্তৰৰ এই কবিসকলৰ কাব্য চেতনাত ৰোমাণ্টিকতা আৰু ৰোমাণ্টিক চেতনা বিৰোধী আধুনিক ভাৱধাৰাৰ সংমিশ্ৰণ ঘটা দেখা যায় বুলি উল্লেখ কৰিছে।[৪] এইখিনিতে উনুকিয়াব পাৰি যে, ‘চিজৌ গেৰেমচা’ নামৰ কবিতাৰ জৰিয়তে আধুনিক বড়ো কবিতাৰ দুৱাৰ মুকলি কৰা কবি সমৰ ব্ৰহ্মচৌধুৰীৰ কবিতাপুথি *বাদাব* (বাতৰি) প্ৰকাশ পায় ১৯৫৮ চনত। উক্ত কবিতা পুথিখনত প্ৰকাশ পোৱা কবিতাসমূহৰ সৰহসংখ্যকেই আছিল ৰোমাণ্টিকধৰ্মী। সেয়ে বড়োসাহিত্যৰ সমালোচকসকলে সমৰ ব্ৰহ্ম চৌধুৰীক ৰোমাণ্টিক কবিৰ শাৰীতহে ৰাখিব বিচাৰে।[৫] সমৰ ব্ৰহ্মচৌধুৰীয়ে লিখা ‘মহা বুদ্ধনি তপস্যা’ (মহা বুদ্ধৰ তপস্যা), দাউস্ৰি গীবা নাগেৰদং আং’ (তৰাপুঞ্জ বিচাৰিছো মই) আৰু প্ৰসেনজিৎ ব্ৰহ্মৰ ‘অৰণ নীং আংখৌ গীবাদী’ (অৰণ্য তুমি মোক আকোৱালি লোৱা), আং থৈয়া (মই নমৰো) ইত্যাদি কবিতাৰ সাহিত্যিক আৰু সামাজিক মূল্য নুই কৰিব নোৱাৰি। প্ৰসেনজিৎ ব্ৰহ্মৰ সমসাময়িক সমৰ ব্ৰহ্মচৌধুৰীৰ কবিতা থিম (Theme)ৰ ফালৰ পৰা প্ৰেমমূলক যদিও আধুনিক ৰোমাণ্টিক কবিতাৰ স্বাক্ষৰ বহন কৰিব পাৰিছে। ‘মহা বুদ্ধনি তপস্যা’ কবিতাত বুদ্ধক প্ৰজ্ঞাৰ প্ৰতীক ৰূপে প্ৰয়োগ কৰিছে। ৰোমাণ্টিক প্ৰেমৰ পৰা অদ্ভুত অসহনীয় বেদনাৰ অনুভূতি এই কবিতাটিত আছে। উক্ত কবিতাটিৰ দুশাৰীমান অনূদিত ৰূপ তলত উল্লেখ কৰা হ’ল-

স’নাশ্ৰী, ছাই বৰণীয়া ধূসৰ ৰাতি
খঙাল বাঘৰ দৰে চকুত অগনি জ্বলাই
মহাবুদ্ধৰ দৰে তপস্যাত মগ্ন মই
মহাবুদ্ধৰ তপস্যা...
হায় ভগৱান, ৰাতিপুৱাবলৈ আৰু কিমান বাকী?
হৃদয়ত খৰিকটীয়াৰ পঁজাত প্ৰজ্বলিত
গভীৰ অৰণ্যৰ একুৰা জুই
তথাপিও মই যেন সোঁতবিহীন বিলৰ জলধাৰ
অলৰ-অচৰ নিজম-নিতাল।

(অনুবাদঃ ফুকন চন্দ্ৰ বসুমতাৰী)

সমৰ ব্ৰহ্ম চৌধুৰীৰ দৰে মনোৰঞ্জন লাহাৰীয়েও সমসাময়িক ৰোমাণ্টিক কবিতা নিৰ্মাণ কৰিছিল আৰু বিশেষকৈ তেওঁৰ কবিতাত প্ৰকৃতি প্ৰেমৰ বৰ্ণনাই কবিতাৰ বিষয়সাৰৰূপে গৃহীত হৈছিল। তেওঁৰ কবিতাই প্ৰকৃতিক জীৱন্ত ৰূপত

Majuli A MultiLingual MultiDisciplinary e-Magazine

উপস্থাপন কৰিব পাৰিছিল। ‘মিথিংগা’ (প্ৰকৃতি), ‘হে ফৈছালি’ (হে দিগন্ত) ইত্যাদি কবিতাবোৰ বড়ো ৰোমাণ্টিক কবিতাৰ নিদৰ্শন স্বৰূপ। এই দুয়োটা কবিতাত লাহাৰীয়ে প্ৰকৃতিক চিৰযুগমীয়া আৰু প্ৰেৰণাৰ উৎসৰূপে অংকিত কৰি মানৱ জীৱনৰ ক্ষণভংগুৰতাৰ কথা ঘোষণা কৰিছে। প্ৰকৃতিৰ সেউজ-সজীৱতাই হ’ল কবিৰ বাবে চিৰ শান্তিৰ সংগম স্থল। ‘মিথিংগা’ কবিতৰ জৰিয়তে সেই কথা প্ৰকাশ কৰিছে এনেদৰে–

মই এটোপাল পানী, জীৱন মোৰ দুদিনীয়া

তুমি চিৰযুগমীয়া

মই এতিয়াহে আহিছো, এতিয়াই যাম

হে প্ৰকৃতি মোৰ এটি মাথো প্ৰাৰ্থনা–

মোৰ মৃত্যু হ’লে তোমাৰ শীতল বুকুত

যেন দিয়া এধানি ঠাই

[অনুবাদক - ফুকন চন্দ্ৰ বসুমতাৰী]

গুণগত আৰু কাব্যিক সৌন্দৰ্যৰ দিশৰপৰা বড়ো ৰোমাণ্টিক কবিতাৰ ক্ষেত্ৰত এই দুয়োগৰাকী কবিয়েই ষাঠি-সত্তৰৰ দশকৰ বড়ো সাহিত্যৰ ইতিহাসত অগ্ৰণী ভূমিকা লৈছিল বুলি কোৱা হয়।প্ত লাহাৰীয়ে যে কেৱল ৰোমাণ্টি কবিতাকে লিখিছিল তেনে নহয়, সমসাময়িক সমাজৰ সমস্যা, সংঘাত, ঘটনা ইত্যাদি বাস্তৱ দিশৰ ওপৰত নিৰ্ভৰ কৰিও প্ৰতীকধৰ্মী বহুতো আধুনিক কবিতা ৰচনা কৰিছিল। তেখেতে আশীৰ দশকত ৰচনা কৰা সুখপাঠ্য আধুনিক কবিতাৰ ভিতৰত ‘খিৰখিয়া খেং, আং খন্থায় লিৰনি’ (খুলি দিয়া খিৰিকি মই কবিতা লিখিম) ‘আং ফছিল জাবায়’ (মই ফছিল হ’লো) ‘গাংচে গব্লা’ (এটা চোলা) ‘দাবি চানঃ জোতানি’ (দাবীৰ দিনঃ জোতাৰ) ইত্যাদি কবিতাৰ নিৰ্মাণে তদানীন্তন সময়ৰ আধুনিক বড়ো কবিতাৰ ক্ষেত্ৰখন বহল কৰাত অৰিহণা যোগাইছে। লাহাৰীৰ ‘দাবি চানঃ জোতানি’ (দাবীৰ দিনঃ জোতাৰ) কবিতাত জোতাক শোষিত আৰু নিস্পেষিত জনতাৰ প্ৰতীকাত্মক অৰ্থত প্ৰয়োগ কৰিব বিচাৰিছে। এই কবিতাটিৰ জৰিয়তে কবিয়ে শোষিত জনতা যে এদিন হ’লেও বিপ্লৱৰ দৰে পন্থাও গ্ৰহণ কৰিব পাৰে আৰু নিজৰ স্বাধীনতা সাব্যস্ত কৰিবলৈ ওলাই আহিব পাৰে তাৰেই ইংগিত বহন কৰিছে। এনেদৰে–

আজি দাবীৰ দিন- জোতাৰ

ডিমাণ্ড দে জোতাৰ।

চহৰৰ মাজমজিয়াত হঠাৎ আজি গণ্ডগোল

Majuli A Multi-Lingual Multi-Disciplinary e-Magazine

চহৰবাসীসকল নিমাত-নিতাল।

[অনুবাদক - ফুকন চন্দ্ৰ বসুমতাৰী]

আধুনিক বড়ো কবিতাৰ প্ৰথম স্তৰৰ কবিসকলৰ ভিতৰত লেখত ল'বলগীয়া এগৰাকী কবি হ'ল- ধৰণীধৰ ওৱাৰী। তেখেতে ৰোমাণ্টিক আৰু বাস্তৱবাদী দুয়োটা দৃষ্টিভংগীৰে কবিতা ৰচনা কৰিছিল। তেখেতৰ মাঁদৈ ১৯৭১(চকুলো) এই স্তৰৰ শেষৰখন কবিতা পুথি বুলি ক'ব পাৰি। মাঁদৈ  কবিতা পুথিখনত সন্নিৱিষ্ট হোৱা কবিতাসমূহ পূৰ্বৰ বড়ো কবিতাৰ ছন্দৰীতিৰে লিখা যদিও তাৰ ভাৱ ভংগীসমূহ আধুনিক কবিতাৰ ওচৰ চপা। আধুনিক কাব্য কৌশলৰ ইঙ্গিত বহন কৰা ধৰণীধৰ ওৱাৰীৰ কবিতাত আধুনিক জীৱনদৃষ্টিৰ নিবিড় প্ৰকাশ ঘটিছে। তেখেতৰ 'আং বাৰহুংখা' (মই ধুমুহা) কবিতাটিত তাৰ প্ৰকাশ ঘটিছে এনেদৰে--

সোণ বুকুৰ মাজত

জ্বলি উঠিছে দাও দাও কৈ একুৰা জুই

চকুৰ চকুপানীৰে

ঢাকিছে বাট জেনিয়ে চাওঁ মাথো অন্ধকাৰ

পাৰিবানে মোহাৰিব

এই চকুলো অনাগত দিনত? (ভাৱানুবাদ)

১৯৫২ চনৰ পৰা ১৯৭০ লৈকে ৰচনা হোৱা বড়ো কবিতা ঐতিহাসিক আৰু কলাত্মক উভয় দিশৰে পৰা বিশেষভাৱে লেখত ল'বলগীয়া। এইছোৱা সময়তে বড়ো কবিতাই ৰমন্যাসধৰ্মী আত্মিক চেতনা আৰু বস্তুবাদী সমাজ চেতনাৰ সন্মিলনৰ বাট বুলিছিল। এইচোৱা সময়ৰ কবিতাৰ গাতে ভেঁজা দি আধুনিক বড়ো কবিতাৰ শব্দসম্ভাৰ, লয়, ধ্বনি, ব্যঞ্জনা আদিৰে সমৃদ্ধ হৈছিল বুলি ক'ব পাৰি।

**২.২ আধুনিক যুগৰ বড়ো কবিতাৰ দ্বিতীয় স্তৰঃ** (১৯৭১-বৰ্তমানলৈ)

বড়ো কবিতাৰ অধুনিক প্ৰবাহ ১৯৫২ত প্ৰকাশ পোৱা 'বড়ো' আৰু 'অখাফৌৰ' আলোচনীৰ প্ৰকাশৰ সময়ৰে পৰা পূৰ্বতকৈও অধিক সমৃদ্ধ হ'বলৈ ধৰে। ইয়াৰ পিছৰ পৰাই আধুনিক বড়ো কবিসকলে পুৰণি কাব্যৰীতিৰ পৰা আঁতৰি আহি নতুন দৃষ্টিভংগী, বিষয়বস্তু, শব্দচয়ন, ৰচনাৰীতি, ছন্দ প্ৰয়োগ, ন ন উপমা, চিত্ৰকল্পৰ প্ৰয়োগ আদিৰে কাব্য ৰচনা কৰিবলৈ আগবাঢ়ি আহে। ১৯৫২ চনৰ পিছৰ পৰাই এচাম বড়ো কবিয়ে ৰোমাণ্টিক-বিৰোধী কাব্যধাৰাৰ সূচনা কৰে আৰু এই ধাৰাই

Majuli A Multilingual Multidisciplinary e-Magazine

আশীৰ দশকত আধুনিক বড়ো কবিতাৰ দ্বিতীয় অধ্যায়ৰ মুকলি কৰিছিল। এই আলোচনাত উল্লিখিত অধ্যায়টোকে আধুনিক বড়ো কবিতাৰ দ্বিতীয় স্তৰ হিচাপে আলোচনা কৰা হৈছে।

আধুনিক যুগৰ বড়ো কবিতাৰ প্ৰথম স্তৰত আত্মপ্ৰকাশ কৰা কবিসকলৰ কাব্যপ্ৰকাশ আশীৰ দশকৰ মাজভাগৰ পৰা তুঙ্গত উঠে বুলি ক'ব পাৰি। ৰমন্যাসিক লক্ষণ(শব্দসম্ভাৰ)ৰ ভালেখিনি গ্ৰহণ কৰিও এইচোৰা সময়তে ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মই বড়ো সাহিত্যৰ আধুনিক কবিতাত ৰমন্যাসিক উদ্দীপনাময় আত্মসন্তোষৰ পুৰণি ব্যঞ্জনা মচি পেলালে। সময়ৰ প্ৰবাহত জীৱন আৰু জীৱিকাৰ সংঘাত, উদ্যম-অনুদ্যম, জগত আৰু চেতনাৰ দ্বন্দ্বক আধুনিক ভাষাৰে তেওঁ কবিতাত ফুটাই তুলিবলৈ লয়। কাব্য-বিষয়, কথনত আধুনিক আৰু কল্পনাৰ প্ৰত্যয়সূচক নিয়ন্ত্ৰণ আদিয়ে তেওঁৰ কবিতাক বৌদ্ধিক চিন্তাৰ কচৰৎ থলীলৈ ৰূপান্তৰ কৰে। তেওঁৰ কবিতাত হেমবৰুৱা, নৰকান্ত বৰুৱা, ৰবীন্দ্ৰনাথ ঠাকুৰ, এলিয়ট আদি কবিসকলৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। আধুনিক যুগৰ বড়ো কবিতাৰ এই যাত্ৰাত অধুনিক অসমীয়া কবিসকলৰ কবিতাই যে প্ৰভাৱ পেলাইছিল সেই সম্পৰ্কে সমালোচক অনিল কুমাৰ ব্ৰহ্মই উল্লেখ কৰিছে এনেদৰে–

আধুনিক অসমীয়া কবিতাৰ ভেটি গঢ় দিছিল অমূল্য বৰুৱা, হেম বৰুৱা, ভবানন্দ দত্ত, নৰকান্ত বৰুৱা, অজিৎ বৰুৱা আদি কবিসকলে। এই কবিসকলৰ কবিতাই বড়ো কবি তথা পঢ়ুৱৈসকলৰ মনত প্ৰভাৱ পেলাইছিল। [৬]

ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ অখ্ৰাং গাংচে নাংগৌ (১৯৭৫) নামৰ কবিতা পুথিখন প্ৰকাশ হোৱাৰ পাছত আধুনিক বড়ো কবিতাৰ নতুন দুৱাৰ মুকলি হয়। ন ন প্ৰতীকৰ ব্যৱহাৰে কবিতাৰ বিষয়বস্তুৰ মাত্ৰা গাম্ভীৰ্যপূৰ্ণ কৰি তোলে। তেখেতৰ লেখত লব'লগীয়া আন দুখন কবিতাপুথি হ'ল- সানমীখাঙাৰি বিবাৰ জানানৈ (সূৰ্যমুখী ফুল হৈ, ১৯৯৫) আৰু আং ফৈফিনগীন (মই পুণৰ আহিম, ১৯৯৫)। এই কবিতা পুথি কেইখনৰ মাজেৰে ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মই অধুনিক বড়ো কবিতাক এক নতুন মাত্ৰা প্ৰদান কৰে। ফুকন চন্দ্ৰ বসুমতাৰী মতে–

কোৱা হয় বজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ একান্ত প্ৰচেষ্টাত বড়ো কবিতাৰ আধুনিক ৰূপসজ্জা গ্ৰহণযোগ্য আৰু প্ৰসাৰ লাভ কৰে। সমসাময়িক সমাজৰ পৰিৱেশ, ঘটনাৱলী, সংকট-সংঘাট, ব্যক্তিগত জীৱনৰ নানা ভাৱ-অনুভূতি সকলোবোৰেই কবিতাৰ অনুষংগ হৈ পৰিল। জ্ঞান-বিজ্ঞান, লোকগাথা সকলোবোৰেই যেন আধুনিক কবিতাত নকৈ জীৱন্ত হ'বলৈ উপক্ৰম হ'ল। সেইসমূহৰপৰা কবিয়ে প্ৰতীকাত্মক শব্দ বুটলি আনিলে। চিত্ৰকল্পও ৰচনা কৰিলে। ফলত বড়ো কবিতাত প্ৰতীক আৰু চিত্ৰকল্প সৰৱ হৈ উঠিল।[৭]

ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ প্ৰথমখন সংকলনৰ কবিতাতে বিশ্বমানৱ মুক্তিৰ এক দৰদী কণ্ঠ প্ৰতিধ্বনিত হোৱা দেখা যায়। তেখেতৰ 'অখ্ৰাং গংছে নাংগৌ' (এখনি আকাশ লাগে) কবিতাটিত এই চেতনা প্ৰকাশ পাইছে আতি সুদৃঢ়ভাৱে।--

গা ধুই নিকা হ'বলৈ যোৱা মানুহবোৰ

ৰৈ আছে বিপাঙৰ দাঁতিত থিয় হৈ

Majuli A Multi-Lingual Multi-Disciplinary e-Magazine

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

প্ৰতি নিয়ত স্বাধীনতা পিয়াসী

হিয়াৰ শুভ্ৰ কপৌজাক

ইনাই-বিনাই উৰিলেও

সজাৰ এটা পৰিধিকে

পাৰ হ'বলৈ সুযোগ পোৱা নাই এতিয়াও

সেইবাবে আমাক লাগে এখনি নীলিম আকাশ।

[অখ্ৰাং গংছে নাংগৌ, অনুবাদকঃ ফুকন চন্দ্ৰ বসুমতাৰী]

ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ সমসাময়িক আন এজন লেখত ল'বলগীয়া কবি হ'ল ৰামদাস বড়ো (১৯৩৬)। তেখেতৰ কবিতা পুথি দুখন হ'ল- 'ফৈফিন' (উলতি আহা, ১৯৭৬) আৰু 'বিষ্ণু ৰাভা দাবৌ উৰুলাঙাখৈ' (বিষ্ণু ৰাভা এতিয়াও টোপনি যোৱা নাই, ১৯৯৯)। ৰামদাস বড়োৰ কবিতাৰ মাজত এহাতে অতীন্দ্ৰিয়বাদ আৰু আনহাতে প্ৰগতিবাদী চিন্তাৰ উন্মেষ ঘটা দেখা যায়। বিষ্ণুপ্ৰসাদ ৰাভাৰ সমাজবাদী অদৰ্শৰে অনুপ্ৰাণিত এইগৰাকী কবিৰ 'বিষ্ণু ৰাভা দাবৌ উৰুলাঙাখৈ' (বিষ্ণু ৰাভা এতিয়াও টোপনি যোৱা নাই) কবিতাটিয়ে অসমীয়া সাহিত্যৰ আধুনিক কবি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি' কবিতাৰ অনুষংগলৈ মনত পেলায়। এন প্ৰসংগৰে চাবলৈ গ'লে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সমাজবাদী আদৰ্শৰ কবিতাসমূহে ৰামদাস বড়োৰ কবিতাত প্ৰভাৱ পেলাইছিল বুলি ক'ব পাৰি।

আশীৰ দশকৰ অন্যান্য কবিসকলৰ ভিতৰত আছিল নন্দেশ্বৰ বৰো (১৯৪৩-), জগদীশ ব্ৰহ্ম, উত্তম খেৰৰাটাৰী, মন্ত্ৰী ব্ৰহ্মচৌধুৰী, বৰুণ বড়ো আদি। এওঁলোকৰ ভিতৰত বিশেষভাৱে দৃষ্টি আকৰ্ষণ কৰিব পৰা কবি হ'ল নন্দেশ্বৰ বড়ো। নন্দেশ্বৰ বড়োৱে সমাজৰ নিম্নবৰ্গৰ দুখ-বেদনাক কবিতাৰ আধাৰ ৰূপে গ্ৰহণ কৰি নানা প্ৰতীক আৰু চিনাকি চিত্ৰকল্পৰ সহায়ত তাক প্ৰতিফলিত কৰিছিল। তেখেতৰ দুখন কবিতা পুথি ক্ৰমে গৌচানি বাৰহুংখা (হৃদয়ৰ ধুমুহা, ১৯৭৬) আৰু চুবুংনি ৰাহা (মানুহৰ মুক্তি, ১৯৮৪)। নন্দেশ্বৰ বড়োৰ উক্ত কবিতা কবিতাপুথি দুখন কবিতসমূহৰ বৈশিষ্ট্যৰাজিলৈ চাই তেখেতক বড়ো কবিতাৰ প্ৰগতিবাদী কবি হিচাপে অভিহিত কৰাৰ থল আছে। কৃত্ৰিমতাৰ আঁৰ-বেৰ নোহোৱাকৈ কবিতা ৰচনা কৰা নন্দেশ্বৰ বড়োৰ কবিতাত সৃষ্টিক্ষম সংগ্ৰামৰ পণ, কৃষক-শ্ৰমিকৰ দুৰৱস্থা আদি দিশসমূহ সঘনাই উচ্চাৰিত হোৱা দেখা যায়। উদাহৰণস্বৰূপে, তেখেতৰ 'মৌনজাৰৌঙৈ' (ভুকাতোৰ) কবিতাটিৰ ভাৱানুবাদ উল্লেখ কৰা হ'ল-

এচমকা পোহৰৰ ৰশ্মি

উৰুখা চালেদি সৰকি আহিছিল

কাৰণ মই অজলা [খেতিয়ক]

কেৱল এই দুদিন নোখোৱাকৈ আছোঁ।

সেই একেদৰে শ্ৰমিকৰ মৰ্মবেদনা ফুটি উঠা দেখা যায় তেখেতৰ 'ফাৰাগ' (প্ৰভেদ) কবিতাটিত

তিনি কিলো চাউল

তিনি টকাকৈ, লাগে দিনে ন টকা

তেনেদৰে সকলো সময়তে

তাতোকৈয়ো বেছি লাগে

মোৰ আৰ. চি. চি. বিল্ডিং সাজিবলৈ।

সেইদৰে নব্বৈৰ দশকত বিষ্ণুজ্যোতি কছাৰীৰ কবিতাৰ নিৰ্মাণ কৌশলে সমসাময়িক কবিসকলৰ কবিতাৰ থিম নিৰ্মাণৰ দিশত যথেষ্ট অনুপ্ৰাণিত কৰা দেখা যায়। বড়োলেণ্ড আন্দোলনৰ সময়ছোৱাৰ প্ৰেক্ষাপট, জাতীয়তাবাদী উষ্মা, শোষণ-নিপীড়ণ, দৰিদ্ৰতা, মানৱতাৰ ...লন ইত্যাদি দিশসমূহ বিষ্ণুজ্যোতি কছাৰীয়ে কবিতাৰ থিম ৰূপে গ্ৰহণ কৰা দেখা যায়। নব্বৈৰ দশকৰপৰা সম্প্ৰতিলৈকে কেইবাগৰাকী কবিয়ে নিজস্ব নিৰ্মাণ কৌশলেৰে বিশেষভাৱে কবিতা ৰচনা কৰি আহিছে। সেইসকলৰ ভিতৰত ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্ম, বিজয় বাগলাৰী, অনজু (অঞ্জলি নাৰ্জৰী), অৰবিন্দ উজিৰ, ৰমাকান্ত বসুমতাৰী, অনিল বড়ো, উখ্ৰিচাৰ খুংগুৰ বসুমতাৰী, সুনীল ফুকন বসুমতাৰী, ধীৰ্জ্জ্যোতি বসুমতাৰী, প্ৰাণেশ্বৰ বৰনাৰ্জী, বত্নেশ্বৰ বসুমতাৰীৰ নাম বিশেষভাৱে ল'ব পৰা যায়। এইসকল কবিয়ে আধুনিক বড়ো কবিতাৰ ৰূপ-ৰস আৰু কবিতাৰ পাঠ নিৰ্মাণ পদ্ধতি গঢ় দিয়াত বিশেষভাৱে প্ৰচেষ্টা লোৱা দেখা গৈছে। মুক্তক ছন্দ, কথা ছন্দ, প্ৰতীকাত্মক ভাষাৰ ব্যৱহাৰে আধুনিক বৰো কবিতাৰ অঙ্গসজ্জাক বৈচিত্ৰময় কৰি তুলিলে।

ওঠৰশ শতিকাত জামানীৰ দাৰ্শনিক ফ্ৰেডেৰিক নীৎসে (Friedrich Nietzsche)এ ঈশ্বৰৰ মৃত্যু ঘোষণা কৰা ঘটনাই গোটেই বিশ্বজুৰি আলোড়ন কৰা পিছত তাৰ প্ৰভাৱ আধুনিক কবিসকলৰ ওপৰত পৰিছিল। এনেধৰণৰ দাৰ্শনিক চিন্তাই বড়ো কবিসকলৰ সৃষ্টিৰাজিত ভুমুকি মৰা দেখা যায়। এইক্ষেত্ৰত বিজয় বাগলাৰীৰ 'আং দিনৈ অবংলাউৰিখৌ মাংখাৰাও ফবগীন' [আজি মই বিশ্বনিয়ন্তাক কবৰ দিম] কবিতাটি উল্লেখ কৰিব পাৰি। কবিতাটিৰ ভাৱানুবাদ এনেধৰণৰ--

আজি মই বিশ্বনিয়ন্তাক কবৰ দিমেই

আমি আমাৰ বহুমূলীয়া সময় আৰু সনাতন অনুভূতিবোৰ

কবৰ দিয়াৰ দৰে

তেনে জাতীয় অনেক সনাতন চিন্তাবোৰ ইতিমধ্যে কবৰ দিয়া হ'ল

Majuli: A Multi-Lingual Multi-Disciplinary e-Magazine

কবৰস্থিত হ'ল প্ৰেম, ধৰ্ম আৰু শান্তি....

(অনুবাদঃ ফকন চন্দ্ৰ বসুমতাৰী)

বিংশ শতিকাৰ শেষৰ দশকপৰা কাব্য চৰ্চাৰ মাজেৰে বৰ্তমানলৈকে আধুনিক বড়ো কবিতাৰ ক্ষেত্ৰখন সজীৱ কৰি ৰখা কবিসকলৰ ভিতৰত অৰবিন্দ উজিৰ অন্যতম। সাম্প্ৰতিক কালৰ কবি অৰবিন্দ উজিৰৰ কবিতাৰ নিৰ্মাণ পদ্ধতিও প্ৰতীকাত্মক।¸ তেওঁৰ কবিতাৰ ছন্দসজ্জা কেতিয়াবা গদ্যধৰ্মী আৰু কেতিয়াবা মুক্তক। বৰ্তমানলৈকে প্ৰকাশ পোৱা তেওঁ কবিতা পুথি দুখন হ'ল- মৌনদাংথিনি ৰৌজাবথায় (স্পৰ্শাতীত সংগীত, ১৯৯৫) আৰু সৌদীবনি সৌলেৰ (শব্দৰ শৰীৰ, ২০০৮)। অৰবিন্দ উজিৰৰ কবিতাত অধুনিক অসমীয়া কবি নীলমণি ফুকণৰ কবিতাৰ চাপ দেখিবলৈ পোৱা যায়। নীলমণি ফুকনৰ দৰেই প্ৰতীকবাদী, চিত্ৰকল্পবাদী আদি কাব্যধাৰা প্ৰকাশ তেওঁৰ কবিতাত দেখিবলৈ পোৱা যায়। জীৱনৰ, প্ৰেম-যৌৱন-মৃত্যুৰ, অনন্য বেদনা আৰু অনন্য পাৰভঙা আনন্দৰ সন্ধান তেওঁৰ কাব্যদৃষ্টিৰ লক্ষ্য। তেওঁৰ কবিতাত প্ৰকাশ পোৱা মানসিক অস্থিৰতা আৰু বিশ্বাসহীনতাই ঐন্দ্ৰজালিক অস্পষ্টাৰ ফালে গতি কৰে। সেয়ে তেওঁৰ কবিতাৰ ৰসাস্বাদন কৰিবলৈ সাধাৰণ পঢ়ুৱৈসকলে বৌদ্ধিক কচৰৎ কৰিবলগীয়া হয়। তলত তেওঁৰ এটি কবিতাৰ আভাস দিয়া হ'ল--

শেলুৱৈ ধৰা হাড়ৰ দমত কবৰস্থ হোৱা ৰাতি

এতিয়া ভুমুকি মাৰিছে পাষাণ জোন, আৰু

প্ৰসাৰিত হ'ব ধৰিছে

জাৰকালিৰ হেজাৰ হেজাৰ ঠৰঙা হাত

সময়ৰ দাপোনত মানুহৰ মুখমণ্ডল

ভাগিছে থান-বান হৈ।

মানুহৰ মুখাৱয়বত শব্দবোৰে আৰু

শব্দবোৰৰ মুখাৱয়বত মানুহবোৰ

ভাগিও নভগাকৈ প্ৰতিবিম্বিত হৈছে।

(শব্দৰ শৰীৰ, অনুবাদক- ফুকনচন্দ্ৰ বসুমতাৰী)

আধুনিক যুগৰ বড়ো কবিতাৰ গতি-প্ৰকৃতিৰ আলোচনাৰ প্ৰসংগত ওপৰত কম-বেছি পৰিমাণে আলোচনা কৰা কবিসকলৰ উপৰিও ষাঠিৰ দশক বা তাৰ আগেয়ে আৰু পৰৱৰ্তী কালত বিংশ শতিকাৰ শেষৰ দশকত আত্মপ্ৰকাশ কৰি কাব্যচৰ্চা কৰা আন কেইজনমান কবিৰ কবিতাৰ বিষয়ে উল্লেখ কৰাতো প্ৰাসংগিক।

Majuli A MultiLingual Multi-Disciplinary e-Magazine

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

আধুনিক বড়ো কবিতাৰ প্ৰথম স্তৰৰ এজন লেখত ল'বলগীয় কবি হ'ল প্ৰমোদচন্দ্ৰ ব্ৰহ্ম। তেখেতে অলংবাৰ হাৰ্থখিহালা আদি আলোচনী সম্পাদনা কৰাৰ লগতে ১৯৬৮ চনত স'নাকী বিজাব নামৰ এখন কাব্য সংকলন প্ৰকাশ কৰে। কবিতা পুথিখনত লোক কবিতাৰ পৰা আৰম্ভ কৰি আধুনিক প্ৰথমস্তৰৰ কবিতালৈকে সামৰি নিৰ্বাচিত কিছুমান কবিতা সন্নিৱিষ্ট কৰিছে। ষাঠি-সত্তৰ দশকৰ আন আন কবিসকলৰ ভিতৰত আছিল ঈশ্বৰ ব্ৰহ্ম আৰু কামখ্যা ব্ৰহ্ম নাৰ্জাৰী। এই দুজন কবিয়ে যুটিয়াভাৱে ১৯৬৯ চনত 'গাথুল' নামেৰে কাব্য সংকলন প্ৰকাশ কৰে। কাব্য সংকলনখন ৰমন্যাসিক ভাৱানুভূতিৰ বুলি ক'ব পাৰি। আশীৰ দশকত হৰিহৰ ব্ৰহ্ম, বিষ্ণুজ্যোতি কছাৰী, বাণশ্বৰ বসুমতাৰী, শচীন বসুমতাৰী আদি কবিসকল কবিতাসমূহ আছিল পূৰ্বৰ ৰোমাণ্টিকধৰ্মী কবিতাৰ অনুৰূপ প্ৰকাশভংগীৰ। এইচোৱা সময়তে শচীন বসুমতাৰীয়ে বড়ো কবিতাত চনেট ৰচনা কৰি বড়ো সাহিত্যৰ ক্ষেত্ৰখন চহকী কৰে। তেখেতৰ একমাত্ৰ কবিতা পুথি সিমাংনি খৈনা (সেপোনৰ কণ্যা, ১৯৭৭)। নব্বৈ দশকৰ কবিসকলৰ ভিতৰত ৰূপনাথ মুছাহাৰী, গুণেশ্বৰ বড়োৰ কবিতা উল্লেখনীয়। এওঁলোকৰ কবিতাৰ ঘাই সুৰ আছিল ৰোমাণ্টিক। এই দশকৰে আন এজন সুঁৱৰিবলগীয়া কবি হ'ল বিহুৰাম বড়ো। তেখেতে একমাত্ৰ কাব্যপুথি হ'ল গিবি বিথায় (ঘাই কেন্দ্ৰবিন্দু, ১৯৮৪)। এই কাব্য পুথিখনক মহাকাব্যধৰ্মী কবিতা পুথি বুলি মান্যতা দি আলোচনা কৰা দেখা যায়। বড়ো সাহিত্যৰ বুৰঞ্জী প্ৰণেতা মধুৰাম বড়োৱে এই কবিতা পুথিখনক বড়োসকলৰ প্ৰথম মহাকাব্য বুলি উল্লেখ কৰিছে।[৮]

আধুনিক যুগৰ বড়ো কবিতাৰ প্ৰথম স্তৰৰ কবিসকলৰ এচামে নতুন দৃষ্টিভংগীৰে কবিতা লিখি সত্তৰ-আশীৰ দশত প্ৰতিষ্ঠা লাভ কৰিছিল যদিও পৰৱৰ্তী সময়ত অৰ্থাৎ দ্বিতীয় স্তৰত সেইসকল কবিৰ কবিতাৰ বৈশিষ্ট্যৰ সালসলনি নোহোৱা বাবে পিছলৈ ইয়াত উদ্ধৃতিসহ আলোচনা কৰা নহ'ল।

সাম্প্ৰতিক কালৰ নতুন প্ৰতিভাৱান কবিসকলৰ ভিতৰত অনজু (অঞ্জলি নাৰ্জাৰী), অনিল কুমাৰ বড়ো, গোপীনাথ ব্ৰহ্ম, বাদল বসুমতাৰী, ভূপেন্দ্ৰ নাৰায়ণ বসুমতাৰী, িৰূপাক্ষগিৰি বসুমতাৰী, ধনশ্ৰী স্বৰ্গীয়াৰী, প্ৰেমানন্দ মুছাহাৰী, ভবাণী বাগলাৰী, ফুকনচন্দ্ৰ বসুমতাৰী, অধীৰ ব্ৰহ্ম, মংগলসিং হাজোৱাৰী, প্ৰতীমা ব্ৰহ্ম, উথ্ৰিচাৰ খুংগুৰ বসুমতাৰী, ৰূপাশ্ৰী হজোৱাৰী, সুনীল ফুকন বসুমতাৰী আদি কম-বেছি ঐতিহাসিক আৰু নান্দনিক গুৰুত্ব থকা কবিসকলৰ নাম ল'ব লাগিব। এওঁলোকৰ সৰহভাগেই ইতিহাস, সমাজ-সচেতন আৰু দৃষ্টিভংগীত বিভিন্ন মাত্ৰাত বস্তুবাদী। এইখিনিতে আৰু এটা কথা স্বীকাৰ্য যে এই কবিসকলৰ কেইবাজনৰো ইতিমধ্যে এখন বা একাধিক কবিতা পুথি প্ৰকাশ হৈছে। গতিকে সামগ্ৰিকভাৱে এই কবিসকলৰ কবিতা বিস্তৃত ৰূপত ভৱিষ্যতলৈ আলোচনা কৰাৰ অৱকাশ আছে। সামগ্ৰিকভাৱে ক'বলৈ গ'লে সত্তৰ-আশীৰ দশকৰ পৰা নতুন দিশত গতি কৰা বড়ো সমাজৰ জাতীয়তাবাদী আন্দোলন, সংঘাত, সমস্যা ইত্যাদি অনেক সামাজিক অস্থিৰতাৰ মাজেৰে বৰো কবিতাই বিষয়বস্তু আৰু আংগিকৰ দিশৰপৰা ৰূপ সলাই আহি আছে। সময়ৰ অগ্ৰগতিৰ লগে লগে সামাজিক ধ্যান-ধাৰণা, সভ্যতা ইত্যাদি ৰূপান্তৰৰ ফলত মানসিক দিগ্বলয়ত বহুতো কথাই জটিলতাৰ সৃষ্টি কৰে বা আন্তঃসংঘাত আনি দিয়ে। ফলত মানুহৰ ৰুচিবোধ আৰু আচৰণৰো পৰিৱৰ্তন হ'ব পাৰে। বৰো সমাজতো এনে সামাজিক পৰিৱৰ্তনে গা কৰি উঠা দেখা গৈছে আৰু ইয়াৰ প্ৰভাৱতpসাম্প্ৰতিক কালৰ বড়ো কবিতা বিষয় বৈচিত্ৰ, বিভিন্ন দৃষ্টিভংগী আদৰ্শৰে সমৃদ্ধ হৈছে।

**৩.০ উপসংহাৰঃ**

আধুনিক যুগৰ বড়ো কবিতাঃ পটভূমি আৰু প্ৰকৃতি শীৰ্ষক আলোচনাৰ পৰা দেখা গ'ল যে, ১৯৫২ চনত বড়ো সাহিত্য সভাৰ গঠনে আধুনিক বড়ো সাহিত্যৰ বাট মুকলি কৰে। বড়ো সাহিত্য সভাৰ উদ্যোগত তথা অন্য ৰাজনৈতিক অনুষ্ঠানৰ প্ৰচেষ্টাত নিজ ভাষাৰ মাধ্যমত গঢ় দিয়া শৈক্ষিক পৰিৱেশৰ ববে সাহিত্য চৰ্চাৰ সুস্থিৰ বাতৱৰণ সৃষ্টি হয় যিয়ে আধুনিক বড়ো কবিতাৰ অগ্ৰগতিত এক ইতিবাচক ভূমিকা গ্ৰহণ কৰে। সামাজিক, ৰাজনৈতি, শৈক্ষিক আদি দিশৰ প্ৰতিকূল পৰিৱেশৰ মাজেৰে বিংশ শতিকাৰ পঞ্চাশৰ দশকত আধুনিক বড়ো কবিতাই জন্মলাভ কৰি বৰ্তমানলৈকে সবৰ হৈ আছে।

আধুনিক যুগৰ বড়ো কবিতাৰ বিকাশ দুটা স্তৰত হোৱা পৰিলক্ষিত হয়। আধুনিক যুগৰ বড়ো কবিতাৰ প্ৰথম স্তৰ (১৯৫২-১৯৭০)ত দুটা ধাৰাৰ কবিতা ৰচনা হোৱা দেখা যায়। তাৰে এটা সম্পূৰ্ণ ৰোমাণ্টিক ভাৱধাৰাৰ  কবিতা আৰু আনটো পৰম্পৰাবদী ৰোমাণ্টিক ভাৱধাৰাৰ পৰা ফালৰি কাটি নতুন আংগিক আৰু বিষয়বস্তুৰে পৰিচয় লাভ কৰা নতুন কবিতা।

আধুনিক যুগৰ বড়ো কবিতাৰ দ্বিতীয় স্তৰ (১৯৭১-বৰ্তমানলৈ)ত ৰোমাণ্টিক ভাৱধাৰ কবিতাসমূহ প্ৰায় স্তিমিত হৈ ৰয় আৰু অধুনিক কবিতা সামগ্ৰিক স্বৰূপ প্ৰকাশ পাবলৈ ধৰে।

ইতিপূৰ্বে আলোচনা কৰি আহা আধুনিক যুগৰ বড়ো কবিতাৰ ঐতিহাসিক ক্ৰমবিকাশৰ সমীক্ষা আৰু বিচাৰ বিশে¡ষণৰ আধাৰত আধুনিক যুগৰ বড়ো কবিতাৰ কিছুমান বৈশিষ্ট্য নিৰ্ণয় কৰিব পৰা যায়। সেই বৈশিষ্ট্য সমূহ হৈছে-

- আধুনিক যুগৰ প্ৰথম স্তৰৰ সকলোখিনি বড়ো কবিতাৰ প্ৰৱাহিত ভাৱধাৰাৰ একে নাছিল। এই স্তৰত বহুলভাৱে ৰমন্যাসিক ভাৱধাৰাৰ কাব্য ৰচনা হোৱা দেখা যায়। আৰু কিছুপৰিমাণে কমকৈ হ'লেও ৰমন্যাস-বিৰোধী ভাৱধাৰাৰ কবিতাও ৰচনা হোৱা দেখা যায়।
- আধুনিক যুগৰ দ্বিতীয় স্তৰত বড়ো কবিতাই ৰমন্যাসিক কাব্যানুভূতিৰ পৰিৱৰ্তে প্ৰগতিশীল আৰু বাস্তৱবাদী দৃষ্টিভংগীৰে অগৰিসৰ হ'বলৈ ধৰে।
- স্বদেশপ্ৰেম বা দেশাত্মবোধ আধুনিক যুগৰ বড়ো কবিতাৰ অন্যতম বৈশিষ্ট্য।
- বড়ো জাতিৰ সামাজিক পৰিৱৰ্তনৰ দিশসমূহ এইচোৱা সময়ৰ কবিতাই দাঙি ধৰিবলৈ সক্ষম হৈছে।
- আধুনিক যুগৰ বড়ো কবিতাত অসমীয়া, বাংলা আৰু প্ৰাশ্চাত্য (ইংৰাজী) কবিতাৰ প্ৰভাৱ পৰা দেখা যায়।
- অন্য ভাষাৰ কাব্য পৰম্পৰাৰ পৰা বড়ো কবিসকলৰ সৃজনশীল আৰু বুদ্ধিনিষ্ঠ গ্ৰহণে বড়োকবিতাক নতুন ৰূপ-সজ্জা দিয়াৰ উপৰিও নতুন আয়তন আৰু পোতন দিছে।

Majuli A Multilingual MultiDisciplinary e-Magazine

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

আলোচনাৰ অন্তত সামগ্ৰিকভাৱে ক'বলৈ গ'লে আধুনিক বড়ো কবিতাই ভাষিক আৰু সাংস্কৃতিক দিশৰ পৰা এক স্বকীয় বৈশিষ্ট্য বহন কৰি আহিছে। যাৰ ফলত আধুনিক বড়ো কবিতাই সৰ্বভাৰতীয় প্ৰেক্ষাপটত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে।

*আধুনিক যুগৰ বড়ো কবিতাঃ প্ৰকৃতি আৰু পটভূমি* শীৰ্ষক বিষয়টিৰ জৰিয়তে আলোকপাত কৰা দিশসমূহে ভৱিষ্যতলৈ আধুনিক বড়ো কবিতাৰ বিস্তৃত অধ্যনয়নৰপথ সুচল কৰিব। উল্লিখিত সময়ছোৱাত কাকত আলোচনীত প্ৰকাশ পোৱা কবিতাসমূহৰো ঐতিহাসিক আৰু নান্দনিক গুৰুত্ব আছে। গতিকে কাকত আলোচনীৰ পাতত থকা কবিতাসমূহ ভৱিষ্যতলৈ অধ্যয়নৰ সম্ভাৱনীয়তা আছে। তদুপৰি বড়ো কবিতাৰ বিকাশত অন্যান্য ভাষাৰ কবিতাৰ প্ৰভাৱ সম্পৰ্কেও বিস্তৃত ৰূপত আলোচনা কৰাৰ আৰকাশ আছে।

**সামৰণি টীকাঃ**

১ প্ৰমথেস বসুমতাৰী, বৰ' ৰাও আৰৌ হাংখৗ, বডো, বড়ো সাহিত্য সভাৰ মুখপত্ৰ, ৫৩ তম বাৰ্ষিক অধিৱেশন, পৃষ্ঠা. ৫৭-৫৮

২ ফুকন চন্দ্ৰ বসুমতাৰী, বৰো সাহিত্যৰ বিকাশ ঃ কবিতাৰ বিশেষ উল্লীখনসহ, খামৰু বড়ো সাহিত্য সভাৰ স্মৃতি গ্ৰন্থ, ৫৪ তম বাৰ্ষিক অধিৱেশন, পৃষ্ঠা.১৬৭

৩ অনিল পুমাৰ বড়ো, বৰ' থুনলাইনি মহৰ আৰৌ মুশ্ৰী , পৃষ্ঠা. ১২

৪ সুনীল ফুকন বসুমতাৰী, ৰাইথাই বিহুং[নৈথি খৗন্দৗ], পৃ. ৩৪২

৫ ফুকন চন্দ্ৰ বসুমতাৰী [সম্পা.], বৰো সাহিত্যৰ বিকাশ ঃ কবিতাৰ বিশেষ উল্লীখনসহ, খামৰু বড়ো সাহিত্য সভাৰ স্মৃতি গ্ৰন্থ, ৫৪ তম বাৰ্ষিক অধিৱেশন, পৃষ্ঠা. ১৬৮

৬ অনিল কুমাৰ ব্ৰহ্ম [সম্পা.], বৰ' থুনলাই বিজিৰনায় পৃষ্ঠা. ১৪০

৭ ফুকন চন্দ্ৰ বসুমতাৰী, বৰো সাহিত্যৰ বিকাশ ঃ কবিতাৰ বিশেষ উল্লীখনসহ, খামৰু বড়ো সাহিত্য সভাৰ স্মৃতি গ্ৰন্থ, ৫৪ তম বাৰ্ষিক অধিৱেশন, পৃষ্ঠা. ১৬৯

৮ মধুৰাম বড়ো, জাৰিমিননি নৌজৗৰাও বৰ' থুনলাই, পৃষ্ঠা. ১৫১

**গ্ৰন্থপঞ্জীঃ**

**অসমীয়াঃ**

Majuli A MultiLingual MultiDisciplinary e-Magazine

নেওগ, মহেশ্বৰ. *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* গুৱাহাটীঃ চন্দ্ৰ প্ৰকাশ, ২০০৮.

পাদুন, নাহেন্দ্ৰ. *সাহিত্য তত্ত্ব আৰু সমালোচনা তত্ত্ব,* গুৱাহাটীঃ বাণী মন্দিৰ, ২০০৯.

বৰগোহাঞি, হোমেন. সম্পা. *অসমীয়া সাহিত্যৰ বুৰঞ্জী,* ষষ্ঠ খণ্ড (পৰিৱৰ্ধিত সংস্কৰণ). গুৱাহাটীঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, ২০১২.

বৰমূদৈ, আনন্দ. *আধুনিকতাৰ পৰা উত্তৰ-আধুনিকতালৈ,* গুৱাহাটীঃ অনন্য প্ৰকাশন, ২০০৪.

শইকীয়া, নগেন. *সাহিত্য-বাদবৈচিত্ৰ্য,* ডিব্ৰুগড়ঃ কৌস্তুভ প্ৰকাশন, ২০০৩.

শৰ্মা, সত্যেন্দ্ৰনাথ. *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* গুৱাহাটীঃ সৌমাৰ প্ৰকাশ, ২০০৪.

**বড়োঃ**

দৈমাৰী, অঞ্জলি আৰু প্ৰণৱজ্যোতি নাৰ্জাৰী. *আগান,* নতুন দিল্লীঃ সাহিত্য অকাদেমী, ২০১১.

বসুমতাৰী, আদাৰাম.*সাৰৰায়নায় থুনলাই,* কোকৰাঝাৰঃ অনচুমৈ লাইব্ৰেৰী, ২০১৪.

বসুমতাৰী, ফুকন চন্দ্ৰ. *বৰ' ৰাৱ আৰৌ থুনলাই,* গুৱাহাটীঃ বড়ো সাহিত্য সভা, ২০০০.

বসুমতাৰী, বিৰূপাক্ষ গিৰি. সম্পা. *দি বড'নি খনসায়নায় ৰায়থাইমালা,* কোকৰাঝাৰঃ বড়ো সাহিত্য সভাঃ ২০১৩.

বসুমতাৰী, সুনীল ফুকন. *ৰাইথাই বিহুং,* কোকৰাঝাৰঃ বড়ো সাহিত্য সভা, ২০০৭.

বড়ো, আনিল কুমাৰ. *বৰ' থুনলাইনি মহৰ আৰৌ মুস্ৰী,* কোকৰাঝাৰঃ এন. এল. পাব্লিলিকেছন্স, ২০১২.

বড়ো, মধুৰাম. সম্পা. *জাৰিমিননি নাজাৰাৰ বৰ' থুনলাই,* গুৱাহাটীঃ এন. এল. পাব্লিকেছন্স, ২০১৩.

ব্ৰহ্ম, অনিল কুমাৰ. সম্পা. *সায়খ'নায় ৰায়থাইমালা,* কোকৰাঝাৰঃ এন. এল. পাব্লিকেছন্স, ২০০৯.

---. সম্পা. *বৰ' থুনলাই বিজিৰনায়,* কোকৰাঝাৰঃ এন. এল. পাব্লিকেছন্স, ২০১১.

---. *বৰ' ৰাৱ-থুনলাইনি জাৰিমিন,* কোকৰাঝাৰঃ এন. এল. পাব্লিকেছন্স, ২০১৭.

ব্ৰহ্ম, ব্ৰজেন্দ্ৰ কুমাৰ. *ৰায়থায়হালা,* গুৱাহাটীঃ এন. এল. পাব্লিকেছন্স, ২০০৬.

---. *বায়দি দেংখী বায়দি গাব,* গুৱাহাটীঃ বড়ো সাহিত্য সভা, ২০১২.

লাহাৰী, মন'ৰঞ্জন. *বৰ' থুনলাইনি জাৰিমিন,* কোকৰাঝাৰঃ অনচুমৈ লাইব্ৰেৰী, ২০০৮.

Majuli: A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
**MAJULI:** *A Multi-Lingual Multi-Disciplinary e-Magazine*
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

হাজোৱাৰী, মঙ্গলসিং. *দাউসিন নীজীৰজীং খন্থায়গিৰিনি দৰখং আৰী ইসিংআৰ,* গুৱাহাটীঃ কিতাপ সমলয়, ২০১৩

**ইংৰাজীঃ**

Boro, Anil Kumar. *A History of Bodo Literature*, New Delhi: Sahitya Akademi, 2012.

Saikia, Nagen. *Background of Modern Assamese Literature*, Guwahati: Purbanchal Prakash, 2011.

::::::

Majuli A MultiLingual MultiDisciplinary e-Magazine